# চিতল মাছৰ পোনা প্ৰতিপালন

চিতল মাছ তাহানি অসমৰ খাল, বিল আদি উভৈন্দী আছলি যদিও কালক্ৰমত এইবিধ মাছ সংকটাপূৰ্ণ হৈ পৰিছে। ব্যৱসায় ভিত্তিত এইবিধ মাছৰ পোনা উৎপাদনৰ প্ৰধান অসুবিধা হ'ল - ই বছৰত এবাৰহে কণী পাৰে আৰু প্ৰতি কেজি মাছত ৬০০০-৮০০০ কণীহে পোৱা যায়। কণীবোৰ আঠাযুক্ত আৰু পানীৰ তলত টানপৃষ্ঠতহে কণীবোৰ লাগি ধৰে। এইবিধ মাছ মাসহাৰী যদিও মুখখন দেহৰ তুলনাত যথেষ্ট সৰু হোৱা বাবে সংমিশ্ৰিত মীন পালন পদ্ধতিত অলাগতিয়াল মাছ নিয়ন্ত্ৰণত অতি কম হাৰত (২-৩ শতাংশ) এই বিধ মাছ ব্যৱহাৰ কৰিব পাৰি।

চিতল মাছৰ পৃষ্ঠীয় পাখিৰ সুন্দৰ বৈশিষ্ট্যতা,পুচ্ছ পাখিৰ ওপৰত থকা সুন্দৰ ক'লা দাগ আৰু অৰতলীয় মূৰৰ বাবে অন্ততঃ ১৫-২৫ ছেঃমিঃ লৈকে এইবিধ মাছ আলংকাৰিক মাছ হিচাপে আন্তঃৰাষ্ট্ৰীয় চাহিদা আছে।

সাধাৰণতে কেজি ওজন প্ৰাপ্ত মতা-মাইকীবোৰ তিনি-চাৰিমাহ মান আগতে পৃথক পৃথককৈ ৰাখি সিহঁতক ভালকৈ খুৱাই বুৱাই ৰখা হয়। পাছত প্ৰতিযোৱা মাছৰ বাবে ১২ মিঃ ৬ মিঃ × ১.৫ মিঃ পুখুৰীৰ প্ৰয়োজন হয়। প্ৰতিটো পুখুৰীত টান পৃষ্ঠ যেনে গছৰ মূঢ়া, কাঠ আদি ৰখাৰ ব্যৱস্থা কৰা হয় যাতে চিতল মাছে ইয়াত সহজতে কণী পাৰিব পাৰে। কণীৰ নিষিক্তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিজনী মাইকী মাছৰ বিপৰীতে দুটাকৈ মতা মাছ ৰাখিব পাৰি। পোনা উৎপাদনত সফলতা পাবলৈ প্ৰতি কেজি মাছৰ বিপৰীতে ০.৫-১.২ মিলি লিটাৰ অভাপ্ৰিম অথবা ০.৪-১.১ মিলি লিটাৰ অভাটাইড প্ৰয়োগ কৰিব পাৰি। চিতল মাছৰ কণীবোৰ ডাঙৰ পাতল মূগা আৰু ৫০-৬০ মিঃ গ্ৰাম ওজনৰ হয়। কণী পৰাৰ ৭২ ঘণ্টাৰ পাছত পোনা উৎপাদন হয় আৰু পোনাবোৰে মহৰ পলু, পোক-পৰুৱা, সৰু মাছ আদি খায়। জন্মৰ ১০ দিন পাছতে প্ৰাণী প্লৱক (Zooplankton) যেনে ঃ মইনা (Moina), ডেফনিয়া (Dafnia) আদি খাবলৈ আৰম্ভ কৰে। ২০-২৫ দিন বয়সৰ পোনাবোৰক অন্যান্য খাদ্য যেনে ঃ ফিচমিল (৪০ শতাংশ) সৰিয়হৰ খলিহৈ (৬০ শতাংশ) পোনাৰ ২-৩ শতাংশ দৈহিক হাৰ (Body Weight) ত প্ৰয়োগ কৰা হয়।